# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-OCT-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

সোণাপুৰৰ জুবিন গাৰ্গৰ সমাধিক্ষেত্ৰত আইন ভংগ কৰা লোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সকীয়াই দিয়ে। তেওঁ কাছাৰৰ লক্ষীপুৰ বিধানসভা সমষ্টিৰ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰি এই সন্দৰ্ভত কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে। ৰাইজৰ অনুৰোধমৰ্মে জুবিনক্ষেত্ৰ বন্ধ কৰাৰ সময়সীমা নিশা ১০ বজাৰ পৰিৱৰ্তে ১১ বজালৈ বৃদ্ধি কৰা হৈছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি কাছাৰৰ লক্ষীপুৰ বিধানসভা সমষ্টিৰ বিন্নাকান্দি মণ্ডল বিজেপিৰ কাৰ্যালয় আৰু লক্ষীপুৰ মণ্ডল বিজেপিৰ কাৰ্যালয় উদ্বোধন কৰে। ইয়াৰ পাছত তেওঁ লাবক খেলপথাৰত লক্ষীপুৰ বিধানসভা সমষ্টিৰ ১৯ হাজাৰৰো অধিক মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেকসমূহ বিতৰণ কৰে। এই অনুষ্ঠানত অংশ লৈ তেওঁ কয়, যে বিজেপি চৰকাৰে মহিলাৰ উন্নয়নৰ বাবে অহৰহ কাম কৰি আছে। বৰ্তমান ৰাজ্যৰ প্ৰায় ৪ লাখ আত্মসহায়ক গোটৰ সৈতে ৪০ লাখ মহিলা জড়িত হৈ আছে বুলি তেওঁ কয়। অৰুণোদয় মহিলা উদ্যমিতা আঁচনিৰ জৰিয়তে মহিলাসকলক আৰ্থিকভাৱে স্বচ্ছল কৰি তোলাৰ বাবে চৰকাৰে পদক্ষেপ লৈছে বুলি তেওঁ কয়।

**বাইট (চি এম)**

মহিলাৰ সুৰক্ষা নিশ্চিত কৰিবলৈ লাভ জেহাদ ৰোধ কৰিবলৈ শীঘ্ৰেই নতুন আইন প্ৰণয়ন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। লাভ জেহাদত জড়িত থকা লোকৰ পিতৃ-মাতৃকো গ্ৰেপ্তাৰ কৰা হ'ব বুলি তেওঁ মন্তব্য কৰে।

ooooo

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়ৰ তদন্ত ক্ষিপ্ৰ কৰাৰ দাবীত শোণিতপুৰ জিলাৰ বিজেপিৰ উদ্যোগত আজি তেজপুৰ কলেজিয়েট ফিল্ডত জন সমদল উলিওৱা হয়। মন্ত্ৰী অশোক সিংহল, বিধায়ক গণেশ কুমাৰ লিম্বু, পদ্ম হাজৰিকাকে ধৰি জিলাখনৰ কেইবাগৰাকীও বিজেপি নেতা-কৰ্মীয়ে এই সমদলত অংশ লয়। **ময়ো জুবিন অনুৰাগী, আমিও জুবিন অনুৰাগী** শ্ল'গানেৰে স্থানীয় লোকেও এই সমদলত অংশগ্ৰহণ কৰে। অংশগ্ৰহণকাৰীসকলে শিল্পীগৰাকীৰ মৃত্যুৰ সঠিক তদন্ত কৰাৰ লগতে দোষীক উপযুক্ত শাস্তি বিহিবলৈ ন্যায়ালয়ক আহ্বান জনায়।

ooooo

শুশ্ৰূষা সেতুৰ অধীনত বিধানসভা সমষ্টিৰ ভিত্তিত বৃহৎ স্বাস্থ্য শিবিৰ আজি ডিব্ৰুগড় জিলাৰ টিংখাং বিধানসভা সমষ্টিৰ অন্তৰ্গত বামুণবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত হয়। টিংখাং সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী বিমল বৰাই এই স্বাস্থ্য শিবিৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

সাংসদ ৰঞ্জিত দত্তই বিশ্বনাথ জিলাৰ বিহালী বিধানসভা সমষ্টিত শুশ্ৰূষা সেতুৰ অধীনত বৃহৎ স্বাস্থ্য শিবিৰ মুকলি কৰে। এই স্বাস্থ্য শিবিৰত ১৮ বছৰ তলৰ শিশু, কিশোৰ-কিশোৰীৰ হৃদযন্ত্ৰ, স্নায়ুতন্ত্ৰ, যকৃৎ, চকুকে ধৰি ৫০ বিধৰো অধিক ৰোগৰ বিনামূলীয়া পৰীক্ষা কৰা হয়। এই শিবিৰৰ জৰিয়তে প্ৰায় ৪ হাজাৰ ৰোগীক চিকিৎসা কৰা হৈছে বুলি যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ যোগেন চন্দ্ৰ বে'ই জানিবলৈ দিছে।

ooooo

শিৱসাগৰ জিলাৰ কোনো কোনো অঞ্চলত আফ্ৰিকান ছোৱাইন ফিভাৰৰ প্ৰকোপ বৃদ্ধি পোৱাত জিলা প্ৰশাসনে কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়াৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত জিলাখনৰ ভাৰপ্ৰাপ্ত জিলা দণ্ডাধীশ সমীৰণ বৰাই ছোৱাইন ফিভাৰৰ সংক্ৰমণ ৰোধৰ বাবে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা-২০২৩,ৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰে। এই নিষেধাজ্ঞা অনুসৰি আমগুৰি ৰাজহ চক্ৰৰ অধীনত জীৱিত গাহৰি, গাহৰি মাংসৰে প্ৰস্তুত কৰা সামগ্ৰী আৰু গাহৰি মাংসৰ সৰবৰাহ নিষিদ্ধ কৰা হৈছে। আনহাতে, আমগুৰি ৰাজহ চক্ৰৰ অধীনত গাহৰিৰ মৃত্যুৰ সন্দৰ্ভত যিকোনো বিষয় বা বাতৰি, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ দৃষ্টিগোচৰ কৰাৰ লগতে মৃত গাহৰিৰ দেহটো দকৈ মাটি খান্দি তথা কঠোৰ জৈৱ সুৰক্ষামূলক ব্যৱস্থা অৱলম্বন কৰি পুতি থোৱাটো বাধ্যতামূলক কৰা হৈছে। গাহৰি উৎপাদক তথা গাহৰি পালকসকলক নতুনকৈ কোনো স্থানত যাতে আফ্ৰিকান ছোৱাইন ফিভাৰ ৰোগৰ সংক্ৰমণ হ'ব নোৱাৰে, সেইক্ষেত্ৰত কঠোৰ সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণৰ বাবে নিৰ্দেশ জাৰি কৰা হৈছে। এই আদেশ অনুসৰি গাহৰিৰ খাদ্যৰ যিকোনো ধৰণৰ পৰিবহণৰ বাবে পশুপালন আৰু পশু চিকিৎসা বিভাগৰ পৰা অনুমতি লোৱাটো বাধ্যতামূলক কৰা হৈছে। পৰৱৰ্তী আদেশ নিদিয়া পৰ্যন্ত এই আদেশ বাহাল থাকিব বুলি নিৰ্দেশনাটোত উল্লেখ আছে।

০০০০০

অসম ৰাজ্যিক গ্ৰামীন জীৱিক অভিযানৰ অধীনত ডিব্ৰুগড় লোকসভা সমষ্টিৰ অন্তৰ্গত টিংখাং বিধানসভা সমষ্টিৰ ৮০ গৰাকী জীৱিকা সখীক আজি মন্ত্ৰী বিমল বৰাই স্কুটী বিতৰণ কৰে। মহিলা সৱলীকৰণৰ বাবে অসম চৰকাৰে গ্ৰহণ কৰা সখী এক্সপ্ৰেছ আঁচনিৰ অধীনত এই স্কুটীসমূহ বিতৰণ কৰা হয়। মন্ত্ৰীগৰাকীয়ে সখীসকলক এই দুচকীয়া বাহনসমূহৰ সৎ ব্যৱহাৰ কৰি জনসাধাৰণৰ উন্নয়নৰ বাবে কাম কৰিবলৈ আহ্বান জনায়।

০০০০০

ভাৰতীয় আভ্যন্তৰীণ জলপথ প্ৰাধীকৰণে বৰাক নৈত খনন কাৰ্য আৰম্ভ কৰিছে। বদৰপুৰ ঘাটৰ জাহাজঘাটত আয়োজিত অনুষ্ঠানত এই খনন কাৰ্যৰ শুভাৰম্ভ কৰা হয়। প্ৰায় চাৰে ১০ কিলোমিটাৰ নৈ খনন কাৰ্যৰ দ্বাৰা বদৰপুৰ ঘাটলৈ জাহাজ চলাচল সূচল কৰি তুলিবলৈ এটা চেনেল নিৰ্মাণ কৰা হ'ব। ৩২ মিটাৰ প্ৰস্থ আৰু দুই মিটাৰ গভীৰতালৈ খনন কৰাৰ বাবে এই কাম সম্পন্ন কৰা হ'ব। এই প্ৰকল্পৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৪৪ কোটি টকাৰ অনুমোদন দিছে আৰু তিনি বছৰৰ ভিতৰত এই কাৰ্য সম্পন্ন হোৱাৰ সম্ভাৱনা আছে।

০০০০০

সমাপ্ত